জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫০/২০২১

**গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২৮ খন নতুন আই চি ইউ বিচনা মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে**

# ১৫ জুনৰ ভিতৰত চিকিৎসা মহাবিদ্যালয়খনত ২০০ খন আই চি ইউ বিচনা সংযোজন কৰা হ'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২৮ খন নতুন আই চি ইউ বিচনা মুকলি কৰাৰ লগতে চিকিৎসালয়খনৰ ক'ভিড চিকিৎসা ব্যৱস্থা আৰু আনুসংগিক দিশৰ বুজ লয়।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে চিকিৎসালয়খনত নতুন আই চি ইউ বিচনা সংযোজনে ক'ভিড ৰোগীৰ বাবে চিকিৎসা ব্যৱস্থা অধিক সুদৃঢ় কৰিব আৰু এই আই চি ইউ বিচনাসমূহ ক'ভিড ৰোগত আক্ৰান্ত নোহোৱা অন্যান্য জটিল ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পৰা যাব। তেওঁ কয় যে কালাপাহাৰস্থিত ক'ভিড চিকিৎসালয়ত কালি ১০ খন অতিৰিক্ত আই চি ইউ বিচনা সংযোজন কৰাৰ লগতে আজি মুকলি কৰা ২৮ খন বিচনাকে ধৰি সৰ্বমুঠ ৩৮ খন আই চি ইউ বিচনা এই চিকিৎসালয় দুখনত সংযোজন কৰা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে আহিবলগীয়া কেইটামান দিনৰ ভিতৰতে চিকিৎসা মহাবিদ্যালয়খনত পুনৰ ২৮ খন আই চি ইউ বিচনা সংযোজনা কৰা হ'ব আৰু ইয়াকে ধৰি অহা ১৫ জুনৰ ভিতৰত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত সৰ্বমুঠ ২০০ খন আই চি ইউ বিচনা সংযোজন কৰা হ'ব। তেওঁ লগতে কয় যে শীঘ্ৰে কালাপাহাৰ চিকিৎসালয়ত ১০ এনে বিচনা সংযোজন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে দ্ৰুততাৰে আই চি ইউ বিচনা সংযোজনৰ প্ৰকল্প ৰূপায়ন কৰা বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় কৰ্তৃপক্ষৰ লগতে লোকনিৰ্মাণ বিভাগ আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কৰ্মকৰ্তাসকলক ধন্যবাদ জনায়। তেওঁ কয় যে বৰ্তমানলৈ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়, মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয় আৰু কালাপাহাৰ ক'ভিড চিকিৎসালয়ত এজনো ৰোগীয়ে আই চি ইউ বিচনা লাভ কৰাৰ পৰা বঞ্চিত হোৱা নাই।

মুখ্যমন্ত্ৰীয়ে প্ৰতিদিনে ৰাজ্যত ১ লাখ লোকক ক'ভিড পৰীক্ষা কৰাৰ জটিল দায়িত্ব কাৰ্যকৰী কৰাৰ বাবে স্বাস্থ্য বিভাগক ধন্যবাদ জনায়। ৰাজ্যত ক'ভিড পজিটিভৰ হাৰ ৫.৬৮ শতাংশলৈ অৱনমিত হোৱাটো ইতিবাচক খবৰ বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰতিজন ব্যক্তিকে যথাসম্ভৱ সাৱধানতা অৱলম্বন কৰিবলৈ আহ্বান জনায় যিহেতু ক'ভিড পজিটিভৰ মৃত্যুৰ হাৰ এতিয়া হ্ৰাস হোৱা নাই আৰু ব্লেক আৰু হুৱাইট ফাংগাছৰ দৰে নতুন ৰোগে দেখা দিবলৈ আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে ক'ভিড-১৯ ৰ তৃতীয় প্ৰৱাহ আৰু শিশুৰ ওপৰত পৰিব পৰা ইয়াৰ প্ৰভাৱৰ সম্পৰ্কে প্ৰকাশিত হোৱা বা-বাতৰি

সম্পৰ্কত কাইলৈ স্বাস্থ্য বিভাগৰ সৈতে তেওঁ বৈঠকত মিলিত হ'ব।

আজিৰ উদ্বোধনী অনুষ্ঠানত স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্ত, মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্তমল্ল বৰুৱা, স্বাস্থ্য বিভাগৰ প্ৰধান সচিব অনুৰাগ গোৱেল, গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ অধ্যক্ষ ডাঃ অচ্যুৎ বৈশ্য উপস্থিত থাকে।

**স্বাক্ষৰ / বীঃগঃ**
**২৪/০৫/২০২১**